# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-07-2025 **Time :** 0705 Hrs.

***Assamese Morn. Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ত্ৰিনিদাদ আৰু টবেগ'ত ভাৰতীয় সম্প্ৰদায়ৰ যাত্ৰাক সাহসিকতাৰ যাত্ৰা বুলি অভিহিত কৰিছে।

২। প্ৰধানমন্ত্ৰী আজি আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জেভিয়াৰ মাইলিৰ আমন্ত্ৰণমৰ্মে দেশখনত উপস্থিত হ'ব।

৩। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ২০১৪ চনত জাৰি কৰা টেলিভিছন ৰেটিং সংস্থাসমূহৰ নীতি-নিৰ্দেশনা সংশোধনৰ প্ৰস্তাৱ দিছে।

৪। বিশ্ব চেম্পিয়ন ডি গুকেশে কালি SuperUnited Rapid & Blitz Croatia দবা প্ৰতিযোগিতাৰ ৰেপিড শিতানত মেগনাছ কাৰ্লছেনক পৰাস্ত কৰে।

আৰু

৫। ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে এজবেষ্টনত অনুষ্ঠিত দ্বিতীয়খন টেষ্টত শক্তিশালী স্থিতিত আছে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ত্ৰিনিদাদ আৰু টবেগ'ত ভাৰতীয় সম্প্ৰদায়ৰ যাত্ৰাক সাহসিকতাৰ যাত্ৰা বুলি অভিহিত কৰিছে। ত্ৰিনিদাদ আৰু টবেগ'ত আজি পুৱা ভাৰতীয় সম্প্ৰদায়ৰ এটা অনুষ্ঠানত ভাষণ দি শ্ৰী মোদীয়ে কয়, যে তেওঁলোকৰ পূৰ্বপুৰুষসকল আশাৰে জটিলতাৰ সন্মুখীন হৈছিল আৰু হৃদয়ত ৰামায়ণ কঢ়িয়াই ফুৰিছিল। তেওঁলোক অকল প্ৰব্ৰজনকাৰী নাছিল বৰং অনাদি অনন্তকালৰেপৰা প্ৰৱাহিত সভ্যতাৰ কটকী আছিল বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে।

পাঁচদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোৱানিশা ত্ৰিনিদাদ আৰু টবেগ'ত উপস্থিত হয়। বিশেষ সৌহাৰ্দ্যৰ চিনস্বৰূপে পৰ্ট অব্ স্পেইন বিমান বন্দৰত দেশখনৰ প্ৰধানমন্ত্ৰী কমলা প্ৰসাদ বিছেছৰে তেওঁৰ মন্ত্ৰীসভাৰ সদস্য আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ সৈতে শ্ৰী মোদীক আদৰণি জনায়। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীক বিশেষ সামৰিক অভিবাদন প্ৰদান কৰা হয় আৰু বিশেষ সাংস্কৃতিক প্ৰদৰ্শনেৰে আদৰণি জনোৱা হয়।

প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কয়, যে ভাৰতৰ পৰা ভালেসংখ্যক লোক কেইবাবছৰ আগতে ত্ৰিনিদাদ আৰু টবেগ'লৈ আহিছিল। সময়ৰ সোঁতত তেওঁলোকে বিভিন্ন ক্ষেত্ৰত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে আৰু দেশখনৰ উন্নয়ন যাত্ৰা সমৃদ্ধ কৰি তুলিছে। শ্ৰী মোদীয়ে লগতে পৰ্ট অব্ স্পেইনত জনোৱা অবিস্মৰণীয় আদৰণিৰ বাবে দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলক কৃতজ্ঞতা জনায়।

প্ৰধানমন্ত্ৰী হিচাপে এয়া শ্ৰী মোদীৰ প্ৰথম ত্ৰিনিদাদ আৰু টবেগ' ভ্ৰমণ আৰু ১৯৯৯ চনৰ পাছত প্ৰধানমন্ত্ৰী পৰ্যায়ত প্ৰথম দ্বিপাক্ষিক ভ্ৰমণ। এই দুদিনীয়া যাত্ৰা কালত প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি ক্ৰিষ্টিন কাৰ্লা কংগালু আৰু প্ৰধানমন্ত্ৰী কমলা প্ৰসাদ বিছেছৰৰ সৈতে আলোচনাত মিলিত হ'ব। প্ৰধানমন্ত্ৰীয়ে দেশখনৰ সংসদৰ

যুটীয়া অধিৱেশনতো ভাষণ দিব। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে উভয় দেশৰ মাজৰ ঐতিহাসিক সম্পৰ্কত নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০০

গ্ল’বেল ছাউথ অৰ্থাৎ ঔদ্যোগিক আৰু অৰ্থনৈতিক দিশৰ পৰা পিছপৰা ৰাষ্ট্ৰসমূহৰ সৈতে আলোচনাৰ প্ৰক্ৰিয়া সুদৃঢ় কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি জেভিয়াৰ মাইলিৰ আমন্ত্ৰণমৰ্মে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি আৰ্জেণ্টিনাত উপস্থিত হ’ব। এয়া হ’ব বিগত ৫৭ বছৰত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম দ্বিপাক্ষিক আৰ্জেণ্টিনা ভ্ৰমণ। আৰ্জেণ্টিনা লেটিন আমেৰিকা অঞ্চলত ভাৰতৰ প্ৰধান অৰ্থনৈতিক আৰু জি টুৱেণ্টী ৰাষ্ট্ৰগোষ্ঠীত ভাৰতৰ ঘনিষ্ঠ সহযোগী। ভ্ৰমণকালত দুয়োগৰাকী নেতাই উভয় দেশৰ মাজৰ সহযোগিতাৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে দ্বিপাক্ষিক আলোচনাত মিলিত হ’ব আৰু প্ৰতিৰক্ষা, কৃষি, খনন, তেল আৰু গেছ, নৱীকৰণযোগ্য শক্তি, বাণিজ্য-বিনিয়োগ আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কৰ্কে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত অংশীদাৰত্ব বৃদ্ধিৰ উপায়ৰ অন্বেষণ কৰিব।

০০০০০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে টেলিভিছন ৰেটিং এজেন্সীৰ বাবে ২০১৪চনত জাৰি কৰা নীতি নিৰ্দেশনাৰ সংশোধনৰ প্ৰস্তাৱ আগবঢ়াইছে। প্ৰস্তাৱিত খচৰাত সংবাদ প্ৰতিষ্ঠানসমূহৰ বাবে আৰোপিত কেতবোৰ নিষেধাজ্ঞা আঁতৰোৱাৰ পোষকতা কৰা হৈছে। বৰ্তমান ব্ৰডকাষ্ট অডিয়েন্স ৰিচাৰ্চ কাউন্সিল বা BARC হৈছে টিভি ৰেটিং প্ৰদান কৰা একমাত্ৰ সংস্থা। কিন্তু প্ৰস্তাৱিত সংশোধনীৰ জৰিয়তে সংবাদ প্ৰতিষ্ঠানসমূহৰ মাজত সুস্থ প্ৰতিযোগিতা আৰু শুদ্ধ তথা নিৰ্ভৰযোগ্য তথ্যৰ বাবে একাধিক সংস্থাক ৰেচিং প্ৰদান কৰিবলৈ অনুমতি প্ৰদান কৰা হ'ব। টি আৰ পি ব্যৱস্থাই দেশৰ দৰ্শকসকলৰ বিবিধতা আৰু সংবাদ মাধ্যমৰ ব্যৱহাৰৰ অভ্যাস প্ৰতিফলিত কৰাই প্ৰস্তাৱিত সংশোধনৰ লক্ষ্য। মন্ত্ৰালয়ে খচৰা জাৰি কৰাৰ ৩০ দিনৰ ভিতৰত অংশীদাৰ আৰু সাধাৰণ জনতাৰ পৰা পৰামৰ্শ বিচাৰি আহ্বান জনাইছে। বৰ্তমান ভাৰতত প্ৰায় ২৩ কোটি পৰিয়ালে টেলিভিছন চায়। কিন্তু দৰ্শকৰ তথ্য সংগ্ৰহৰ বাবে মাত্ৰ ৫৮ হাজাৰ পৰিয়ালৰহে তথ্য ব্যৱহাৰ কৰা হয়। অৰ্থাত বৰ্তমানৰ ব্যৱস্থাই টেলিভিচন চোৱা পৰিয়ালসমূহৰ মাত্ৰ ০.০২৫ শতাংশকহে প্ৰতিনিধিত্ব কৰে। তদুপৰি বৰ্তমানৰ দৰ্শক জোখা প্ৰযুক্তিয়ে স্মাৰ্ট টিভি, ষ্ট্ৰীমিং ডিভাইচ, আৰু মোবাইল এপ্লিকেচনৰ দৰে নতুন মাধ্যমত টেলিভিচন চোৱা দৰ্শকৰ তথ্য সংগ্ৰহ কৰিব নোৱাৰে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে আজি ঝাৰখণ্ডৰ ৰাঁচীৰ সাৱিত্ৰীবাই ফুলে ৰাষ্ট্ৰীয় মহিলা আৰু শিশু বিকাশ প্ৰতিষ্ঠানৰ নতুন আঞ্চলিক কেন্দ্ৰ মুকলি কৰিব। এই নতুন কেন্দ্ৰটো সামৰ্থ বৃদ্ধিৰ প্ৰচেষ্টাৰ বিকেন্দ্ৰীকৰণ আৰু দেশৰ পূব প্ৰান্তত সেৱা প্ৰদান ব্যৱস্থাৰ উন্নয়নৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ পদক্ষেপৰূপে পৰিগণিত

হ’ব। কেন্দ্ৰটোৱে বিশেষকৈ ঝাৰখণ্ড, বিহাৰ, ওড়িশা আৰু পশ্চিমবংগত গুৰুত্ব আৰোপেৰে মিছন শক্তি, মিছন বাৎসল্য, মিছন সক্ষম অংগনৱাড়ী আৰু পোষণ অভিযানৰ দ্বিতীয় সংস্কৰণৰ দৰে ভালেমান উদ্যমৰ প্ৰশিক্ষণ আৰু গৱেষণা আৱশ্যকতা পূৰণ কৰিব। স্থানীয় আৱশ্যকতা পূৰণৰ বাবে হস্তক্ষেপ কৰি তৃণমূল পৰ্যায়ত কেন্দ্ৰীয় আঁচনিসমূহৰ ৰূপায়ণ প্ৰক্ৰিয়া সুদৃঢ় কৰাৰ ক্ষেত্ৰত কেন্দ্ৰটোৱে বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

ooooooooo

সমবায় মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী কিষাণ পাল গুৰজাৰে কালি নতুন দিল্লীৰ বিশ্ব বাণিজ্য কেন্দ্ৰত ভাৰত জৈৱ মেলা ২০২৫ৰ উদ্বোধন কৰে। অনুষ্ঠানত ভাষণ দি গুৰজাৰে কয় যে ভাৰত জৈৱ মেলাই সমবায় আৰ্হিয়ে ক্ষুদ্ৰ কৃষকসকলক কেনেদৰে সবল কৰি তুলিব পাৰে আৰু জনসাধাৰণৰ মাজত কিদৰে নিৰাপদ আৰু জৈৱিক খাদ্য উপলব্ধ কৰিব পাৰি, তাৰ উদাহৰণ দাঙি ধৰে। তেঁও কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত সহযোগীতাৰ জৰিয়তে সমৃদ্ধিৰ দৃষ্টিভংগীক বাস্তৱায়িত কৰিবলৈ চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সকলোকে একত্ৰিত হৈ পৰিৱেশ, মাটি, আৰু ভৱিষ্যত প্ৰজন্মৰ সুবিধাৰ্থে জৈৱিক কৃষি পদ্ধতিক এটা আন্দোলন হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে ভাৰত জৈৱ মেলা হৈছে তৃণমূল পৰ্যায়ৰ উৎপাদক গোটসমূহক বজাৰৰ সৈতে সংযোগ স্থাপন, গ্ৰাহকৰ মাজত সজাগতা বৃদ্ধিত সহায় কৰাৰ লগতে দেশৰ ক্ৰমবৰ্ধমান সমবায় পৰিৱেশতন্ত্ৰৰ শক্তিক উদযাপন কৰাৰ এখন মঞ্চ।

0ooooo0

বিশ্ব চেম্পিয়ন ডি গুকেশে কালি SuperUnited Rapid & Blitz Croatia দবা প্ৰতিযোগিতাৰ ৰেপিড শিতানৰ ষষ্ঠ ৰাউণ্ডত বিশ্বৰ ১ নম্বৰ স্থানৰ খেলুৱৈ আৰু পাঁচবাৰৰ চেম্পিয়ন মেগনাছ্ কাৰ্লছেনক পৰাস্ত কৰে। ইয়াৰ পূৰ্বে গুকেশে নৰৱে দবা প্ৰতিযোগিতাত কাৰ্লছেনক পৰাজিত কৰিছিল। গুকেশে একেৰাহে পাঁচখন খেলত জয়লাভ কৰি ১০ পইণ্টেৰে প্ৰতিযোগিতাত অগ্ৰগতি লাভ কৰিছিল। জান-ক্ৰিজছট’ফ দুদাই ৱেজলি ছ’ৰ বিৰুদ্ধে ড্ৰ’ খেলি ৮ পইণ্টেৰে দ্বিতীয় স্থানত আছে।

ooooooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজত এজবেষ্টনত অনুষ্ঠিত দ্বিতীয় টেষ্টৰ দ্বিতীয় দিনটোত ভাৰত শক্তিশালী স্থিতিত আছে। কালিৰ খেলৰ সামৰণিত ইংলেণ্ডে ভাৰতৰ প্ৰথম ইনিংছৰ ৫৮৭ ৰাণৰ প্ৰত্যুত্তৰত তিনি উইকেটৰ বিনিময়ত ৭৭ ৰাণ সংগ্ৰহ কৰে। ঘৰুৱা দলটো ফ'ল' অনৰ পৰা হাত সাৰিবলৈ এতিয়াও আৰু ৩০৯ ৰাণৰ প্ৰয়োজন আছে। ভাৰতে কালি অধিনায়ক শুভমন গিলৰ দ্বি-শতৰাণৰ সহায়ত প্ৰথম ইনিংছত ৫৮৭ ৰাণৰ বিশাল স্কৰ কৰিবলৈ সমৰ্থ হয়। গিলে ২৬৯ ৰাণ কৰি অধিনায়ক হিচাপে টেষ্ট ক্ৰিকেটত সৰ্বাধিক ৰাণ সংগ্ৰহৰ অভিলেখ স্থাপন কৰে। ইয়াৰ আগতে বিৰাট কোহলীয়ে দক্ষিণ আফ্ৰিকাৰ বিৰূদ্ধে ২০১৯ চনত কৰা ২৫৪ ৰাণৰ অভিলেখ কালি

শুভমন গিলে ভংগ কৰে। ভাৰতৰ হৈ ৰবীন্দ্ৰ জাডেজাই ৮৯ আৰু ৱাশ্বিংটন সুন্দৰে ৪২ ৰাণৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ইংলেণ্ডে আকাশদীপৰ নিখুঁত ব'লিঙৰ বাবে বিপৰ্যয়ৰ সন্মুখীন হয়। আকশদীপে বে'ন ডাকেট আৰু অ'লী পোপক শূণ্য ৰাণতে পেভিলিয়নলৈ ঘূৰাই পঠিয়াই। ক্ৰাউলিৰ উইকেট মহম্মদ চিৰাজে লাভ কৰে। দিনান্তত জ' ৰুটে১৮ ৰাণ কৰি আৰু হেৰী ব্ৰুকে ৩০ ৰাণ কৰি বেট ধৰি আছে।

০০০০০০০০০

ভাৰতৰ এন শ্ৰীৰাম বালাজীয়ে উইম্বলডন টেনিচ প্ৰতিযোগিতাৰ পুৰুষৰ ডাব্‌লছৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। বালাজী আৰু মেক্সিক'ৰ মিগুৱেল ৰেয়েছ-ৱৰেলাই কালি লণ্ডনত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ লাৰ্নাৰ টিয়েন আৰু আলেকজেণ্ডাৰ ক'ভাছেভিকক ৬-৪, ৬-৪ পোনপটীয়া ছেটত পৰাস্ত কৰে। বালাজী আৰু মিগুৱেলৰ যুটিটো পৰৱৰ্তী ৰাউণ্ডত ষষ্ঠ বাছনিপ্ৰাপ্ত স্পেইনৰ মাৰ্ছেল গ্ৰেণ'লৰ্ছ আৰু আৰ্জেণ্টিনাৰ হোৰাশ্বিঅ' জেবাল'ছৰ সন্মুখীন হ'ব। বুধবাৰে য়ুকি ভাম্ব্ৰি আৰু ৰিত্বিক বলিপলৰ যুটিটোও নিজৰ প্ৰাৰম্ভিক পৰ্যায়ৰ খেলত জয়ী হৈছিল। অৱশ্যে ৰোহন বোপন্নাই প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ পৰা বিদায় লৈছিল।

০০০০০০০০০

থাইলেণ্ডৰ কেবিনেটে পেটংটাৰ্ণ ছিনাৱাট্ৰাৰ নিলম্বনৰ পাছত উপ-প্ৰধানমন্ত্ৰী ফুমথাম ৱেচায়াচাইক ভাৰপ্ৰাপ্ত প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিবলৈ সন্মতি প্ৰদান কৰিছে। দেশখনৰ প্ৰথমগৰাকী ভাৰপ্ৰাপ্ত প্ৰধানমন্ত্ৰী হিচাপে ফুমথামৰ প্ৰধানমন্ত্ৰীৰ সমানেই কৰ্তৃত্ব আৰু দায়িত্ব থাকিব। উপ প্ৰধানমন্ত্ৰী তথা পৰিৱহণ মন্ত্ৰী চুৰিয়া জুংগুংগ্ৰেয়াংগকিটক দ্বিতীয়গৰাকী ভাৰপ্ৰাপ্ত প্ৰধানমন্ত্ৰীৰ দায়িত্ব দিয়া হৈছে। ইয়াৰ পূৰ্বে থাইলেণ্ডৰ সাংবিধানিক আদালতে প্ৰধানমন্ত্ৰী পদৰ পৰা পেটংটাৰ্ণ ছিনাৱাট্ৰাক নিলম্বন কৰিছিল।

০০০০০০০

সমাপ্ত